ধৰিলে। এনেতে বুঢ়াগোহায়ে বকৰাক বোলে, কি চাইছ? কাটিলেচোঁ। এনেতে চাংমাই লিগিৰা লাইধনে দা এখান আনি দিলে। সেই দা হাতত লৈ টোৰালতে ভাগিল। ওলাই আহি বাটঘৰ পালেহি। তাতো তেনেকৈ ভেটি ধৰিলে। ২৫৭॥

প্ৰমত্তসিংহ ৰজালৈ বুঢ়াগোহাঁইৰ উপদেশ।—সেইৰূপে সিহঁতকো বোলামতাকৈ ভঙ্গাই দোলাকাখৰীয়া চ'ৰা পালেহি। তাতো লুখুৰাখনৰ চাৰিকুৰি বাকৰতীয়েৰে তাৰে ভিতৰৰ দিহিঙ্গীয়া নগা লিগিৰায়ে ধৰিলে। তাকো সেইৰূপে ভঙ্গাই আনি ৰৰচ'ৰা তুলি বুঢ়াগোহাঁয়ে, ৰৰবৰুৱায়ে বুলিলে, "চাৰিঙ্গৰজা তোমাক আমি ৰজা পাতিলোঁ।" এইবুলি বুঢ়াগোহাঁয়ে হাতত ধৰি হেঙ্গদাঙ্গত তুলি বোলে, ৰজাৰ ভাই ৰজা হল, বকৰা ফুকন প্ৰমুক্তে সকলো ৰাজ্যে সেৱা কৰ। পাচে সকলেও সেৱা কৰিলে, বুঢ়াগোহাঁয়ে ৰজাদেৱক বুলিলে, "তোমাক মহাপ্ৰভু ৰাজপদক দিলে। সন্তক পালন, দুষ্টক দণ্ডি, প্ৰাণীৰ সুখ-দুখ বিচাৰ, তোমাৰ ইহে ধৰ্ম্ম। আৰু ডাঙ্গৰ বৃক্ষৰ আশ্ৰয়ত যেনেকৈ তাপ আদিক নাপাই ককাই ৰজাদেৱৰ আশ্ৰয়তে তেনেকৈ দেৱকো দেশৰ প্ৰজাৰ দোষেগুণে নাপাইছিলে। আজি ধৰি পৰমেশ্বৰে দোষ-গুণৰ আশ্ৰয় কৰালে। যি কাৰ্য্যৰপৰা দোষ হই, যি কাৰ্য্যৰপৰা গুণ হই, আকো স্বৰ্গদেৱে নিয়ম কৰিব লাগে। আৰু তোমাৰ তিনিটি ভাই আছে, ইবোৰকো পুত্ৰৱতে প্ৰতিপালন কৰিব লাগে। ইবোৰেও পিতৃবোধে সেৱা কৰিব লাগে। পাচলৈকো বৰ-সৰু ক্ৰমে প্ৰবৰ্ত্তিব লাগে। আৰু তিপাম ৰজাকো নেৰিবা। পুত্ৰৱতে স্নেহ দায়া কৰিবা।" এইবুলি বুঢ়াগোহাঁই শ ধুৱাই কাপোৰ জাপিবলৈ চাঙ্গলৈ উঠি গল। মাঘৰ ২০ দিন যাওঁতে দেওবাৰে শিৱসিংহ ৰজাক ৰজাক বুঢ়াগোহাঁয়ে পৰ্ব্বতত নি মাটি দিলে। ২৫৮॥

ৰাজদ্ৰোহীৰ দণ্ড বিধান।—যাতো ৰাজদ্ৰোহক মন কৰিলে, এতেকেহে কালুগঁয়া ৰৰপাত্ৰক ভাঙ্গি কেন্দুগুৰীয়া ৰৰপাত্ৰৰ পুতেকক

